# অসম বিধান সভা

মৌখিক উত্তৰৰ বাবে প্ৰশ্ন সমূহৰ তালিকা

বৃহস্পতিবাৰ, ২২ আগষ্ট, ২০২৪

গৃহ; কৰ্মচাৰী; লোক নিৰ্মাণ; নিৰ্বাচন; ৰূপান্তৰ আৰু উন্নয়ন; মুখ্যমন্ত্ৰী সচিবালয়; ৰাজনৈতিক; প্ৰশাসনীয় সংস্কাৰ আৰু প্ৰশিক্ষণ; পেঞ্চন আৰু ৰাজহুৱা অভিযোগ; স্বাস্থ্য আৰু পৰিয়াল কল্যাণ; চিকিৎসা শিক্ষা আৰু গৱেষণা; খিলঞ্জীয়া আৰু জনজাতি বিশ্বাস তথা সংস্কৃতি (পুঁথিভড়াল আৰু সংগ্ৰহালয় তথা পুৰাতত্ব সঞ্চালকালয় বাদ দি) আৰু অন্য কোনো মন্ত্ৰীৰ অধীনত বিশেষভাবে ন্যস্ত নকৰা আন যিকোনো বিভাগ।

চাহ জনজাতি আৰু আদিবাসী কল্যাণ; শ্ৰম কল্যাণ, শক্তি; সমবায়; ক্ৰীড়া আৰু যুৱ কল্যাণ; খিলঞ্জীয়া আৰু জনজাতি বিশ্বাস তথা সংস্কৃতি (কেবল পুৰাতত্ব সঞ্চালকালয়)

প্ৰশ্ন সমূহৰ মুঠ সংখ্যা - ২০

*বিষয় ঃ* **Fire Station নির্মাণ সম্পর্কিত**

শ্রীকমলাক্ষ দে পুরকায়স্থ ঃ

*১) মাননীয় গৃহ বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) Katigorah সমষ্টিতে কয়টি Fire Station নির্মাণের অনুমোদন দেওয়া হইয়াছে?

(খ) এই Fire Station এর নির্মাণ কাজ আরম্ভ হইয়াছে কি ? যদি হয় তবে কবে নাগাদ শেষ হইবে?

(গ) Katigorah সমষ্টিতে দুইটি Fire Station যথা কালাইন এবং কাঠিগড়া Fire Station এর একটি নির্মাণ কাজের Tender করা হইয়াছিল কি ? যদি হইয়া থাকে তবে কবে নাগাদ শেষ হইবে তাহার পূর্ণ তথ্য অনুমোদিত কত অর্থ, ঠিকাদারের নাম এবং কত শতাংশ কাজ শেষ হইয়াছে তাহা সদনে প্রকাশের অনুরোধ জানাই।

(ঘ) করিমগঞ্জ শহরের Fire Station টির আধুনিককরণ ও উন্নতি করণের কোন সিদ্ধান্ত সরকার নিয়েছেন কি?

*বিষয় ঃ* **আঁচনি গ্ৰহণ কৰা সন্দৰ্ভত**

শ্ৰীৰূপেশ গোৱালা ঃ

*২) মাননীয় চাহ জনজাতি আৰু আদিবাসী কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) ২০২৩-২৪ বৰ্ষত বিভাগৰ তৰফৰ পৰা কি কি কল্যাণমূলক আঁচনি গ্ৰহণ কৰা হৈছে আৰু ইয়াৰ যোগেদি কিমান সংখ্যক লোক উপকৃত হৈছে লগতে ইয়াৰ বিপৰীতে কিমান ধন খৰচ কৰা হৈছে? সবিশেষ জনাব।

*বিষয় ঃ* **Medical College at Hailakandi**

শ্ৰীজাকির হুসেন লস্কর ঃ

*৩) মাননীয় স্বাস্থ্য ও পরিবার কল্যাণ বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) নীতি আয়োগের তথ্য অনুযায়ী আসামের অন্যতম পিছিয়ে পড়া হাইলাকান্দি জেলার জনসাধারণের স্বাস্থ্য পরিসেবা উন্নতির জন্য হাইলাকান্দি জেলাতে মেডিকেল কলেজ স্থাপন করার জন্য সরকারের হাতে কি কোন পরিকল্পনা আছে? বিস্তারিত জানাতে অনুরোধ করছি?

(খ) যদি কোন পরিকল্পনা আছে তাহলে কবে নাগাদ তাহা বাস্তবায়ন হবে? অনুরোধ করে তথ্য জানাবেন।

(গ) এই মুহুর্তে যদি মেডিকেল কলেজ স্থাপনের কোন পরিকল্পনা নেই তাহলে হাইলাকান্দি জেলার জনসাধারণের স্বাস্থ্য পরিষেবা উন্নতির জন্য সরকার মেডিকেল কলেজ স্থাপন করার জন্য ব্যৱস্থা গ্রহণ না করার কারণ কি? অনুরোধ করে বিস্তারিত জানাবেন।

*বিষয় ঃ* **গাঁওৰক্ষী বাহিনীৰ আধুনিকীকৰণৰ সন্দৰ্ভত।**

শ্ৰীসুৰেন ফুকন ঃ

*৪) মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) সমগ্ৰ অসমতে গাঁও অঞ্চলৰ আইন শৃংখলাৰ ক্ষেত্ৰত দায়বদ্ধতাৰে দায়িত্ব পালন কৰি আৰক্ষীক সহযোগ কৰি অহা গাঁওৰক্ষী বাহিনীৰ আধুনিকীকৰণকলৈ কিবা ব্যৱস্থা গ্ৰহণ কৰা হৈছে নেকি? জনাব।

(খ) গাঁওৰক্ষী বাহিনীৰ সদস্য সকলক যাৱতীয় সামগ্ৰী যেনে— টৰ্চলাইট, ৰেইনকোট, জোতা আদি প্ৰদানৰ কিবা নতুন পৰিকল্পনা গ্ৰহণ কৰা হৈছে নেকি? জনাব।

*বিষয় ঃ* **নতুনকৈ আৰক্ষী থানা স্থাপন সম্পৰ্কে**

শ্ৰীদিগন্ত কলিতা ঃ

*৫) মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গৃহ বিভাগৰ অসমত বৰ্তমান আৰক্ষী থানা বৃদ্ধি কৰাৰ কিবা পৰিকল্পনা আছে নেকি?

(খ) যদি আছে, কমলপুৰ বিধান সভা সমষ্টিত ৰাইজৰ প্ৰতি সমৰ্থন জনাই পাতিদৰং অঞ্চলত এখন নতুনকৈ আৰক্ষী থানা স্থাপনৰ বাবে কিবা ব্যৱস্থা গ্ৰহণ কৰিব নেকি?

(গ) যদি কৰে, কেতিয়ালৈ কৰিব? বিতং ভাবে জনাব।

*বিষয় ঃ* **ৰুদ্ৰসিংহ ক্ৰীড়া প্ৰকল্প**

শ্ৰীপ্ৰদীপ হাজৰিকা ঃ

*৬) মাননীয় ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) শিৱসাগৰ ৰূপহী পথাৰত নিৰ্মাণৰত অৱস্থাত থকা ৰুদ্ৰসিংহ ক্ৰীড়া প্ৰকল্পৰ কাম কিমান শতাংশ সম্পূৰ্ণ হৈছে?

(খ) এই ক্ৰীড়া প্ৰকল্পৰ বাবে কিমান টকা ধাৰ্য্য কৰা হৈছিল?

(গ) উক্ত ক্ৰীড়া প্ৰকল্পত কিমান বিধ খেলৰ সুবিধা থাকিব, সদনত অৱগত কৰিব।

(ঘ) এই ক্ৰীড়া প্ৰকল্প ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ হ'বনে?

(ঙ) এই ক্ৰীড়া প্ৰকল্পৰ ছুইমিং পুলতো ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ সাঁতোৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰিব পৰাকৈ নিৰ্মাণ কৰা হ'বনে?

*বিষয় ঃ* **বিদ্যুৎ গ্ৰাহকৰ অতিৰিক্ত মাচুল**

মোঃ নুৰুল হুদা ঃ

*৭) মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনত বিদ্যুৎ গ্ৰাহক সকলে

ব্যৱহাৰ কৰা প্ৰতি ইউনিটৰ বিদ্যুৎ মাচুল কিমান? গ্ৰাহক সকলৰ পৰা অতিৰিক্ত মাচুল লোৱাটো সঁচানে? সদনত অৱগত কৰিব।

(খ) স্মাৰ্ট মিটাৰ লগোৱাৰ পিছত মিটাৰ সমূহে বিসংগতি দেখাই গ্ৰাহক সকলৰ পৰা অতিৰিক্ত মাচুল লোৱা হৈ আছে নেকি? সবিশেষ জনাব।

(গ) আজি পৰ্যন্ত Transformer নোহোৱা গ্ৰাহক সকলে পাব লগা বিদ্যুতৰ পৰা বঞ্চিত হৈয়ো অপৰ্য্যাপ্ত পৰিমাণৰ বিল আদায় দিয়াৰ কথাটো সঁচানে? বিতং কৈ সদনত জনাব।

(ঘ) চৰকাৰী কাৰ্যালয় সমূহত হঠাৎ বিদ্যুৎ কাটি দিয়াৰ ফলত কৰ্মচাৰী সকলে নিজৰ পকেটৰ টকা আদায় কৰি বিদ্যুৎ ল'ব লগা হোৱা ঘটনা হৈ আছে নেকি? যদি আছে, তেন্তে APDCL ক অগ্ৰিম বিল দিয়াৰ ব্যৱস্থা কৰিব পৰা যায়নে?

*বিষয়ঃ* **AIIB আৰু RDSS আঁচনি**

শ্ৰীআচিফ মঃ নাজাৰ ঃ

*৮) মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) AIIB আৰু RDSS আঁচনি অসমৰ কিমান শতাংশ অঞ্চলত সম্পূৰ্ণ হৈ উঠিছে?

(খ) AIIB আৰু RDSS আঁচনিৰ কাম সমগ্ৰ অসমত সম্পূৰ্ণ কৰিবলৈ নিৰ্ধাৰিত সময় সীমা কি আছিল? এই সময় সীমাৰ ভিতৰত ১০০ % কাম সম্পূৰ্ণ হৈ উঠিব নে, অতিৰিক্ত সময়ৰ প্ৰয়োজন হ'ব?

(গ) কাম লেহেমীয়া হোৱাৰ কাৰণ কি?

(ঘ) আঁচনি সম্পূৰ্ণ কৰিবলৈ সময় বৃদ্ধি হ'লে আঁচনিৰ প্ৰাৰম্ভিক ব্যয়ৰ তুলনাত ব্যয় বৃদ্ধি পাব নেকি?

*বিষয়ঃ* **মথাউৰিক পথ (Road) লৈ উন্নীত কৰণ।**

শ্ৰী নজৰুল হক ঃ

*৯) মাননীয় লোক নিৰ্মাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) সমগ্ৰ অসমত কিমানটা মথাউৰিক লোক নিৰ্মাণ বিভাগৰ অধীনত পথ (Road) হিচাপে ব্যৱহাৰ কৰা হৈছে? (জিলা ভিত্তিত তথ্য সদনত দাখিল কৰিব)

(খ) ২৩ নং ধুবুৰী বিধানসভা সমষ্টিত কিমানটা মথাউৰিক পথ (Road) হিচাপে ব্যৱহাৰ কৰা হৈছে আৰু কিমানটা পথ (Road) ব্ৰহ্মপুত্ৰ আৰু গংগাধৰ নদীৰ কাষেৰে গৈছে?

(গ) উক্ত পথ (Road) সমূহ সংৰক্ষণৰ বাবে জলসম্পদ বিভাগ বা লোক নিৰ্মাণ বিভাগে কি পদক্ষেপ গ্ৰহণ কৰিছে?

(ঘ) উক্ত সমষ্টিত বিগত বানপানীত কিমানটা পথ ক্ষতিগ্ৰস্ত হৈছে? জনাব।

(ঙ) উক্ত পথসমূহ মেৰামতি কৰাৰ বাবে চৰকাৰে ধাৰ্য্য কৰা প্ৰতি কিলোমিটাৰত ৬০,০০০ (ষাঠি) হাজাৰ টকাৰে মেৰামতিৰ কাম কৰা সম্ভৱ নহয়। সেয়েহে উক্ত টকা বৃদ্ধি কৰাৰ বাবে চৰকাৰে কিবা পদক্ষেপ গ্ৰহণ কৰিবনে?

(চ) বানপানীত বেছি পৰিমাণে ক্ষতিগ্ৰস্ত হোৱা পথসমূহ পুনঃ নিৰ্মাণ কৰাৰ বাবে চৰকাৰে কিবা পদক্ষেপ হাতত লৈছেনে?

*Subject* : **Scheme selection and implementation.**

Sri Charan Boro :

* 10. Will the Minister of Tea Tribes & Adivasi Welfare be pleased to state :

(a) What schemes have been undertaken for Tea Tribes and Adivasi

Welfare since 2021 in Mazbat Constituency ?

(b) What is the system of implementation of these schemes and what is the process to finalise scheme location and beneficiaries and through whom these schemes are implemented ?

*বিষয় ঃ* **নিহত লোকৰ ক্ষতিপূৰণ**

শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ) ঃ

*১১) মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কিছুদিন পূৰ্বে নগাঁও জিলাৰ জুৰীয়া থানাৰ অন্তৰ্গত ধিং বৰি পথাৰৰ দুজন ভাই-ককাইক বনৰক্ষীৰ দলে গুলিয়াই হত্যা কৰা ঘটনা সম্পৰ্কে চৰকাৰ অৱগত নে ?

(খ) হত্যাকাৰী বনৰক্ষী সকলৰ নাম কি ? তেওঁলোকৰ বিৰুদ্ধে কি শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰা হৈছে?

(গ) নিহত ব্যক্তিসকলৰ পৰিয়ালক কি ক্ষতিপূৰণ দিয়া হ'ল ?

(ঘ) ধিং থানাৰ অন্তৰ্গত এলেকাত স্প্ৰে চোৰৰ ঘটনা সঁচা নে, এইটো এটা পৰিকল্পিত গুজব ? ঘটনাৰ তদন্তৰ প্ৰতিবেদন সহ সবিশেষ তথ্য দিব।

*বিষয় ঃ* **অসম নাগালেণ্ড সীমান্তত নিৰ্মাণ সম্পূৰ্ণ কৰি উদ্বোধন নকৰাকৈ থকা উপ-স্বাস্থ্য কেন্দ্ৰ সন্দৰ্ভত।**

শ্ৰীবিশ্বজিৎ ফুকন ঃ

*১২) মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসম নাগালেণ্ড সীমান্তত নিৰ্মাণ সম্পূৰ্ণ কৰি উদ্বোধন নকৰাকৈ কিমানখন উপ-স্বাস্থ্য কেন্দ্ৰ আছে?

(খ) উপ-স্বাস্থ্য কেন্দ্ৰ সমূহ উদ্বোধনৰ বাবে চৰকাৰৰ পৰিকল্পনা কি ?

*বিষয় ঃ* **বিধায়কৰ সমষ্টি উন্নয়ন পুঁজি (MLA LAD)।**

শ্ৰী আব্দুল বাতিন খন্দকাৰ ঃ

*১৩) মাননীয় ৰূপান্তৰ আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০২৩-২৪ বিত্তীয় বৰ্ষত বিধায়কৰ সমষ্টি উন্নয়ন পুঁজি (MLA LAD Fund) কিমান নিৰ্ধাৰণ কৰা হৈছে? নিৰ্ধাৰিত পুঁজিৰ কিমান ধন মুকলি কৰি দিয়া হৈছে?

(খ) বিগত বিধান সভা অধিবেশনত বিধায়কৰ সমষ্টি উন্নয়ন পুঁজি (MLA LAD Fund) বৃদ্ধিৰ বাবে আশ্বাস প্ৰদান কৰা ধৰণে চৰকাৰে এই পুঁজি বৃদ্ধি কৰিবনে ?

*বিষয় ঃ* **DDUGJY আঁচনি সম্পৰ্কে**

শ্ৰীতেৰছ গোৱালা ঃ

*১৪) মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) DDUGJY আঁচনিত অসমৰ কিমানখন গাঁৱত বিদ্যুৎ সংযোগ দিয়া হ'ল? এই কাম কেতিয়া আৰম্ভ হৈছিল আৰু কেতিয়া সম্পূৰ্ণ হ'ল আৰু কিমান টকা খৰচ কৰা হ'ল ? সবিশেষ জনাব।

(খ) DDUGJY আঁচনিত বৰ্তমানেও গাঁও / চাহ বাগিছাত বিদ্যুৎ সংযোগৰ কাম বাকী আছে নেকি? যদি আছে, সবিশেষ জিলাৰ বিধান সভা সমষ্টি ভিত্তিত তথ্য দিব।

(গ) সৌভাগ্য আঁচনিত অসমত বৰ্তমানলৈকে কিমান সংখ্যক ঘৰত বিনামূলীয়া বিদ্যুৎ সংযোগ দিয়া হ'ল আৰু ইয়াৰ বাবদ কিমান টকা খৰচ কৰা হ'ল। সবিশেষ জনাব।

(ঘ) বৰ্তমানেও বিদ্যুৎ সংযোগ নোপোৱা দুখীয়ালোক সকলৰ ঘৰত সৌভাগ্য বা এনেধৰণৰ আঁচনি গ্ৰহণ কৰিছে নেকি ? সবিশেষ জনাব।

(ঙ) দুলীয়াজান বিধান সভা সমষ্টিত

DDUGJY যোগান দিয়া গাঁও সমূহৰ নামৰ তালিকা গাঁও পঞ্চায়ত ভিত্তিত দিব লগতে কিমান টকা খৰচ হ'ল সবিশেষ জনাব।

(চ) সৌভাগ্য আঁচনিত দুলীয়াজান বিধান সভা সমষ্টিত বিনামূলীয়াকৈ বিদ্যুৎ সংযোগ দিয়া হিতাধিকাৰী সকলৰ ঠিকনাসহ নামৰ তালিকা গাঁও পঞ্চায়ত ভিত্তিত সবিশেষ তথ্য দিব।

(ছ) অসমত সৌৰশক্তিৰ প্ৰকল্প কিমানটা আৰু ক'ত ক'ত আছে? সবিশেষ জনাব। এই প্ৰকল্প সমূহৰ পৰা কিমান মেগাৱাট শক্তি উৎপাদন কৰা হৈছে? ইয়াৰ বাবদ কিমান টকা খৰচ কৰা হ'ল জনাব।

*Subject* : **Bridge and road development.**

Sri Jolen Daimary :

* 15. Will the Minister of Public Works Department be pleased to state :

(a) Whether the department is aware of the fact that the bridge over the Daranga river on the way from Kumarikata to Nayavasti had collapsed in 2023 ? If yes, whether the Govt. has taken any steps to rebuild the bridge ?

(b) The road from Ghagrachowk in Tamulpur district to Ghagrapar in Nalbari District connecting Tamulpur Medical College and Nalbari Medical College is the most important route for transporation. Whether the department has taken any steps to widen this road under Assam Mala? If not, when will it be taken? Please furnish in details.

(c) Whether the department has taken any steps for the construction of the following river bridges ?

I. Bridge over the Balti River on the way from South Kumarikata to Nagrijuli.

II. Bridge over Puthimari River on the way from Gandhibari to Goreswar.

III. Bridge over Suklai River on the way to Tamulpur Medical College at Nizargaon from Poshim Naokata.

*Subject* : **Aspirational District and Block Fund for Barpeta district and Mandia Block.**

Sri Sherman Ali Ahmed :

* 16. Will the Minister of Transformation & Development Deptt. be pleased to state :

(a) Why no meeting of District Level Advisory Committee is convened till date ?

(b) What schemes are proposed / utilized with Rs. 8.65 lakh for Mandia Block ?

(c) Is it true that all schemes for Barpeta Aspirational District are implemented through CCs in violation of para-7 of guidelines ? If yes, why ?

(d) Is it true that same person was co-opted for a large number of schemes, e.g. Ashim Talukdar for 26, Raju Guha for 18, Aynal for 14 schemes etc. ? Please furnish address of all co-opted members.

(e) Why members are not co-opted from respective user group ?

(f) Whether UC's were signed by user group ? Please furnish copies of all

UCs and photographs of each location (at the initiation, mid way and on completion) as per para-8 (ii) of the guidelines.

(g) Who are State and Central Prabhari Officers ? Please furnish their contact numbers.

(h) Whether any fund was provided by NEC/Govt. of Assam ? If yes, Please furnish details of schemes.

*বিষয় ঃ* **আয়ুষ্মান কাৰ্ড আৰু মডেল হস্পিতাল**

শ্ৰীআশ্ৰাফুল হুছেইন ঃ

*১৭) মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) আয়ুষ্মান ভাৰত আৰু আয়ুষ্মান অসমৰ জৰিয়তে কোন কোন হস্পিতালত কি কি চিকিৎসা কৰোৱা হয়? অলপতে কোন কেইখন হস্পিতালত এই কাৰ্ডৰ চিকিৎসা সেৱা বন্ধ কৰা হৈছে? ইয়াৰ কাৰণ কি?

(খ) বৰ্তমানলৈ এই কাৰ্ডৰ বাবদ বিভিন্ন হস্পিতালত দিব লগা বকেয়া ধনৰ তালিকা দিব। ইয়াৰে কোন হস্পিতালক কিমান সংখ্যক ধন শেষ বাৰৰ বাবে কেতিয়া প্ৰদান কৰা হৈছিল?

(গ) ৯০ঃ১০ হাৰত ভাৰত আৰু অসম চৰকাৰে পৰিশোধ কৰিবলগীয়া ধনৰ কোন চৰকাৰৰ কিমান বকেয়া হৈছে? ভাৰত চৰকাৰে দিবলগীয়া ধন শেষবাৰৰ বাবে কেতিয়া একাউণ্টত জমা হৈছিল আৰু বৰ্তমানেও কিমান ধন জমা আছে?

(ঘ) কাছুমাৰা ৰাজ্যিক চিকিৎসালয়, পূৱ মহচৰা নৈপৰীয়া স্বাস্থ্য কেন্দ্ৰ, খোলাবান্ধা নৈপৰীয়া স্বাস্থ্য কেন্দ্ৰ, কাৰাইখাইতি নৈপৰীয়া স্বাস্থ্য কেন্দ্ৰ আদি স্বাস্থ্যনুষ্ঠানত প্ৰতিষ্ঠানিক প্ৰসৱৰ ব্যৱস্থা আছে নেকি? যদি আছে, তেন্তে বিগত দুই বছৰত কিমান সংখ্যক প্ৰসৱ এই প্ৰতিষ্ঠান সমূহত হৈছে?

(ঙ) চেঙা মডেল হস্পিতালত বৰ্তমান কিমানজন চিকিৎসক কৰ্মৰত হৈ আছে আৰু কিমানজন ষ্টাডি লিভত আছে?

(চ) বাজেট ঘোষণা অনুসৰি ২০২১-২৬ লৈ ৫ বছৰত মুঠ ১০০০ খন নতুন বুনিয়াদী স্বাস্থ্য কেন্দ্ৰ নিৰ্মাণৰ প্ৰস্তাৱ লোৱাটো সঁচানে?

*বিষয় ঃ* **ৰাস্তা আৰু দলং সম্পৰ্কে**

শ্ৰীজাকিৰ হুছেইন সিকদাৰ ঃ

*১৮) মাননীয় লোক নিৰ্মাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) পুৰণি সৰুক্ষেত্ৰী আৰু বৰ্তমানৰ পাকাবেতবাৰী বিধান সভা সমষ্টিত মুঠ কিমান কাঠ আৰু বাঁহৰ দলং আছে? এই সমূহ কেতিয়া পকীকৰণ কৰা হ'ব? (তালিকাৰ সৈতে বিতং জনাব)

(খ) ইতিমধ্যে হৈ যোৱা বানপানীত কিমান ৰাস্তা আৰু দলং ক্ষতিগ্ৰস্ত হৈছে আৰু এই সমূহ কেতিয়া পুনৰ নিৰ্মাণ কৰা হ'ব?

(গ) পুৰণি সৰুক্ষেত্ৰী আৰু বৰ্তমানৰ পাকাবেতবাৰী বিধান সভা সমষ্টিত কিমান কেঁচা ৰাস্তা আছে আৰু এই সমূহ কেতিয়া পকীকৰণ কৰা হ'ব?

*বিষয় ঃ* **চাহ বাগিচা অঞ্চলত পথ নিৰ্মাণ**

শ্ৰীচক্ৰধৰ গগৈ ঃ

*১৯) মাননীয় লোক নিৰ্মাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্তমানলৈকে অসমৰ কিমানখন চাহ বাগিচাত কিমান কিঃ মিঃ পথ নিৰ্মাণ কৰা হ'ল আৰু মৰাণ সমষ্টিৰ অন্তৰ্গত বাগিচাত

কিমান কিঃ মিঃ নিৰ্মাণ কৰা হ'ল, তথ্য প্ৰদান কৰিব।

(খ) ২০২৪-২৫ বৰ্ষত অসমৰ কিমানখন বাগিচাত আৰু কিমান কিঃ মিঃ পথ নিৰ্মাণ হ'ব? তাৰেই নৱগঠিত খোৱাং সমষ্টিত কিমান খন চাহ বাগিচাত কিমান কিঃ মিঃ পথ নিৰ্মাণ হ'ব, জনাব।

*বিষয় ঃ* **ড্ৰাগ্‌চ সেৱন আৰু সৰবৰাহ**

শ্ৰীআবুল কালাম ৰশিদ আলম ঃ

*২০) মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত কেইখন থানা আছে? বৰ্তমান গোৱালপাৰা জিলাত কেইখন থানা আৰু Outpost আছে? গোৱালপাৰা চহৰত থকা Outpost থানালৈ উন্নীতকৰণ কৰিব নেকি? যদি কৰে, কেতিয়া কৰিব? গোৱালপাৰা পূৱ সমষ্টিৰ অন্তৰ্গত উপদ্ৰপ/অশান্তি এলেকা (Disturbance area) ডোপতলা আৰু নৱগত শিমলীতোলা Outpost কেতিয়া স্থাপন কৰা হ'ব? তথ্য সহকাৰে জনাব।

(খ) ২০২১ চনৰ পৰা বৰ্তমানলৈকে কিমান ড্ৰাগ্‌চ সেৱন আৰু সৰবৰাহকাৰী কৰায়ত্ব কৰিছে আৰু Encounter ত কিমান মৃত্যু বৰণ কৰিছে? তথ্য সহকাৰে সদনত জনাব।

(গ) ড্ৰাগ্‌চ সেৱন আৰু সৰবৰাহ বন্ধ কৰাৰ কাৰণে চৰকাৰে কিবা ব্যৱস্থা কৰিছে নেকি? যদি কৰিছে, কি কি তথ্য সহকাৰে জনাব।

---

AGP (Mini) L.A.Q.50/2024-500-17-08-2024